অসম চৰকাৰ
বিত্ত বিভাগ



# অৰুণোদয় ৩.০

## অসমৰ সৰ্ববৃহৎ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ আঁচনিৰ জৰিয়তে জীৱন ৰূপান্তৰকাৰী পদক্ষেপ

"অৰুণোদয়ৰ অৰ্থ হৈছে সূৰ্যোদয়ঃ এক আশাৰ কিৰণ। আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ আমাৰ মা আৰু ভনীসকলৰ বিত্তীয় অৱস্থা উন্নত কৰাৰ বাবে এই সামাজিক সুৰক্ষা আঁচনিখন আমি ৰূপায়ণ কৰিছোঁ।"

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম



**৩৭.২ লাখ**
নতুন হিতাধিকাৰী

এক ৰেচন কাৰ্ড
– এক অৰুণোদয়

AADHAAR
বৈধ আধাৰ-সংলগ্ন
ৰেচন কাৰ্ড
বাধ্যতামূলক

অসমত বৰ্তমান বসবাস
কৰি থকা স্থায়ী
বাসিন্দাৰ ক্ষেত্ৰতহে
প্ৰযোজ্য

প্ৰতিটো পৰিয়ালৰ ১৮
বছৰ বয়সৰ উৰ্দ্ধৰ
মহিলা অথবা
দিব্যাংগজনক মনোনয়ন

## কোনে আবেদন কৰিব পাৰিব ?

- বিধৱা, অবিবাহিতা (৪৫ বছৰ বয়সৰ উৰ্দ্ধৰ), বিবাহ বিচ্ছেদিত আৰু অকলশৰীয়া মহিলা
- তৃতীয় লিংগৰ ব্যক্তি
- লিংগ নিৰ্বিশেষে 'দিব্যাংগৰ অধিকাৰ আইন, ২০১৬'ত সংজ্ঞায়িত দিব্যাংগ ব্যক্তি
- চৰকাৰী পঞ্জীয়নকৃত বৃদ্ধাৱাসত বাস কৰা মহিলাসকলকে ধৰি বৃদ্ধা/অলৰ-অচৰ মহিলা
- যি পৰিয়ালত মূল উপাৰ্জনকাৰী ব্যক্তিগৰাকী দিব্যাংগ বা বৃদ্ধ (ষাঠি বছৰ বয়সৰ উৰ্দ্ধৰ), তেনে পৰিয়ালৰ মহিলা
- এইচ আই ভি/থেলাচেমীয়া/ হেম'ফিলিয়া/ চেৰিব্ৰেল পালছি/লেপ্ৰ'ছী/ অ'টিজিম স্পেকট্ৰাম ডিচঅৰ্ডাৰত আক্ৰান্ত কোনো সদস্য থকা পৰিয়ালৰ মহিলা
- আশ্ৰয়হীন পৰিয়ালৰ মহিলা
- ভিক্ষা খুজি ফুৰা নিঠৰুৱা মহিলা
- অন্ত্যোদয়া অন্ন যোজনাৰ মহিলা হিতাধিকাৰী
- মুঠ ২ লাখ টকাতকৈ কম বাৰ্ষিক আয় থকা পৰিয়ালৰ মহিলা

## কোনে আবেদন কৰিব নোৱাৰিব ?

- সাংসদ, বিধায়ক, মুখ্য কাৰ্যবাহী সদস্য, কাৰ্যবাহী সদস্য, প্ৰাক্তন সাংসদ, প্ৰাক্তন বিধায়ক, প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য, প্ৰাক্তন কাৰ্যবাহী সদস্য
- পঞ্চায়তীৰাজ প্ৰতিষ্ঠান, নগৰীয়া স্থানীয় নিকায় আৰু স্বায়ত্তশাসিত পৰিষদ/ভি চি ডি চি ইত্যাদিৰ বৰ্তমানৰ সদস্য (ষষ্ঠ অনুসূচীৰ জিলাত)
- চিকিৎসক, অভিযন্তা, স্থপতিবিদ, চাৰ্টাৰ্ড একাউন্টেণ্ট, বেংক বিষয়া, উকীল
- ঠিকাভিত্তিক/অস্থায়ী শিক্ষককে সামৰি বিশ্ববিদ্যালয়, মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়, কনিষ্ঠ মহাবিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয়, উচ্চ প্ৰাথমিক আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ত কৰ্মৰত শিক্ষক
- যিকোনো নিয়মীয়া চৰকাৰী কৰ্মচাৰী, পেঞ্চনাৰ বা অংগনবাড়ী কৰ্মী, মধ্যাহ্ন ভোজন কৰ্মী, আশা কৰ্মী, আশা ছুপাৰভাইজৰ, গাঁও প্ৰধানকে ধৰি ঠিকাভিত্তিক কৰ্মচাৰী
- আয়কৰ পৰিশোধ কৰা চৰকাৰী ঠিকাদাৰ আৰু যোগনিয়াৰ, ৰিয়েল ইষ্টেট বিল্ডাৰ, উদ্যোগপতি, ব্যৱসায়ৰ অনুজ্ঞাপত্ৰধাৰী
- আয়কৰ পৰিশোধ কৰা ব্যৱসায়ী/উদ্যোগী, দোকানী, বেপাৰী
- ক্ষুদ্ৰ আৰু উপান্ত শ্ৰেণীৰ বাহিৰে আন ভূমিৰ গৰাকী
- যন্ত্ৰচালিত চাৰিচকীয়া বাহনৰ গৰাকী
- 'অৰুণোদয় প্লাছ' আঁচনিৰ অধীনৰ হিতাধিকাৰী আৰু অৰুণোদয় ৩.০ আঁচনিখনৰ দৰে একেধৰণৰ আঁচনিৰ অধীনত ৰাজ্যৰ পৰা সম বা অধিক পৰিমাণে উপকৃত হোৱা হিতাধিকাৰী
- 'ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩'ৰ অধীনৰ 'অসম খাদ্য সুৰক্ষা বিধি'ত অধিসূচিত কৰা আয়ৰ সীমাতকৈ অধিক আয় কৰা পৰিয়াল

## গুৰুত্বপূৰ্ণ জাননী

**অৰুণোদয় ৩.০ৰ**
অধীনত লাভালাভ পাবলৈ হ'লে বৰ্তমানে থকা হিতাধিকাৰীসকলকে ধৰি সকলো যোগ্য হিতাধিকাৰীয়ে নতুনকৈ আবেদন কৰিব লাগিব



সবিশেষ বিৱৰণৰ বাবে অনুগ্ৰহ কৰি অৰুণোদয় ৩.০ আঁচনিৰ নীতি-নিৰ্দেশনা চাওক